# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-02-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন।

২। মুক্ত বাণিজ্য চুক্তিসমূহৰ জৰিয়তে বিশ্বৰ প্ৰায় ৭০ শতাংশ বাণিজ্যৰ বজাৰ ভাৰতৰ বাবে মুকলি হৈছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৩। ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্গৰ পদত চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে ৩ শতাংশ পদ সংৰক্ষণত আজি অসম মন্ত্ৰীসভাৰ অনুমোদন । ***আৰু***

৪। অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ সংশোধিত তালিকা প্ৰকাশ।

০০০০০০

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন কৰা হয়। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে এই লেখানুদান দাখিল কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰাৰম্ভিক চাৰি মাহৰ বাবে ৬২ লাখ ২৯ হাজাৰ ৪৭৮ টকাৰ লেখানুদান দাখিল কৰে। পূৰ্ণাংগ বাজেট উত্থাপন নকৰা পৰ্যন্ত চৰকাৰৰ কাম-কাজ চলাই নিবলৈ এই বাজেট দাখিল কৰা হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰে। এই লেখানুদানত ২০২৬-২৭ বৰ্ষত বিকাশৰ হাৰ ১৬ দশমিক ৯-৩ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। একেদৰে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন চাৰে ৮ লাখ কোটি টকাৰো অধিক হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰিছে। তদুপৰি ২০২৮ চনৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণত প্ৰকাশ কৰে। বিগত ৫ বছৰত ৰাজ্য চৰকাৰৰ বিচক্ষণ বিত্তীয় ব্যৱস্থাপনাৰ বাবে অৰ্থনৈতিক দিশত অসম সুস্থিৰ হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। ৰাজ্যৰ জনমূৰি আয় বৃদ্ধি পোৱা বুলিও তেওঁ উল্লেখ কৰে।

**বাইট (অজন্তা নেওগ)**

এই লেখানুদানত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৫ লাখ যুৱক-যুৱতীক সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। অসম দৰ্শন আঁচনিৰ অধীনত ৫৪ হাজাৰ ৭২৫ খন ধৰ্মীয় স্থানৰ উন্নীতকৰণৰ বাবে এহেজাৰ ১৩২ কোটি ৯৩ লাখ টকা মোকলাই দিয়াৰ কথা উল্লেখ কৰা হৈছে। লেখানুদানত বৃদ্ধ পেঞ্চনৰ আঁচনিৰ অনুদান ২৫০ টকাৰ পৰা ৪০০ টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে বিধৱা পেঞ্চনৰ আঁচনিৰ অনুদান ৩০০ টকাৰ পৰা এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়া হৈছে।

আজি প্ৰশ্নোত্তৰ শিতানেৰে অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়। সদনত আজি কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰা হয়। ইয়াৰ লগতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হৈছে। এই আলোচনাত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কে অংশ লৈছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত এখন সংবাদমেল সম্বোধন কৰি কয় যে মুক্ত বাণিজ্য চুক্তিসমূহৰ জৰিয়তে বিশ্বৰ প্ৰায় ৭০ শতাংশ বাণিজ্যৰ বজাৰ ভাৰতৰ বাবে মুকলি হৈছে। তেওঁ কয় যে ২০২৬ বৰ্ষত স্বাক্ষৰিত হোৱা ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ অন্তৰ্বৰ্তী বাণিজ্য চুক্তিৰ এই পৰিৱৰ্তনত নতুন গতি প্ৰদান কৰিছে। সাধাৰণ ঔষধ, ৰত্ন আৰু হীৰা, বিমানৰ অংশ আৰু নিৰ্বাচিত কৃষি সামগ্ৰীৰ বাবে শূন্য শুল্ক প্ৰৱেশ নিশ্চিত কৰা হৈছে আৰু ২৩২ টা শুল্ক লাইনলৈ অগ্ৰাধিকাৰ মূলক ব্যৱহাৰ বৃদ্ধি পাইছে। শ্ৰীসোণোৱালে কয় যে কৃষি সামগ্ৰীৰ বাণিজ্যিকীকৰণ ৯০ ৰ পৰা ৯৫ শতাংশ সুৰক্ষিত হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্গৰ পদত চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে ৩ শতাংশ পদ সংৰক্ষণত আজি অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। দিছপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে আৰ্জিত ছুটী বছৰি ১৫ দিনলৈ বৃদ্ধিত অনুমোদন জনায়। ইয়াৰ লগতে অসম সংশোধিত ছুটী বিধি ১৯৩৪ সংশোধন কৰি আধাৰ দৰমহা ছুটীৰ পৰিৱৰ্তে ১০ দিন আৰু অতিৰিক্ত ৫ দিন আৰ্জিত ছুটী প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে। মন্ত্ৰীসভাই মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ অধীনত ১০ খন জিলাৰ ৩১৯টা ভূমিহীন পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে চৰকাৰী খাচ আৰু চিলিং উদ্বৃত্ত ভূমি বন্দোবস্তীত অনুমোদন জনাইছে। ধেমাজি জিলাত ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে মন্ত্ৰীসভাই জিলাখনৰ চৰকাৰী ভূমি অসম ক্ৰিকেট সন্থাক প্ৰদানৰ বাবে অনুমোদন জনায়। যোৰহাটৰ বৰভেটিত ঐতিহ্য আন্তঃগাঁথনি উন্নয়নৰ বাবে সংহত প্ৰকল্প নিৰ্মাণ কৰিবলৈ কেবিনেটে ১৯ কোটি ৫৯ লাখ টকাৰ আৱণ্টনত অনুমোদন জনাইছে। এই প্ৰকল্পত নামঘৰ আন্তঃগাঁথনি আৰু এলেকা উন্নয়নৰ কাম-কাজ সামৰি লোৱা হৈছে। তদুপৰি মহিলা উদ্যমিতা অভিযানৰ অধীনত অতিৰিক্ত এক লাখ ৭ হাজাৰ ৫৩২ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক প্ৰাৰম্ভিক মূলধন মোকলাই দিয়াৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনায়। কাৰ্বি আংলং জিলাৰ লাংৰ'কুত নিৰ্মাণ হ'বলগীয়া সৈনিক স্কুলৰ বাবে আৱণ্টন ১০০ কোটিৰ পৰা ৩৩৫ কোটি ৮৭ লাখ টকালৈ বৃদ্ধিৰ বাবে কেবিনেটে অনুমোদন জনায়।

০০০০০০

অসম লোকসেৱা আয়োগে আজি ৰাজ্য চৰকাৰৰ বিভিন্ন পদত নিযুক্তিৰ বাবে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা-২০২৪ৰ ফলাফলৰ সংশোধিত তালিকা প্ৰকাশ কৰিছে। কালি আয়োগে তালিকা ঘোষণা কৰিছিল যদিও এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে সংৰক্ষিত পদত চৰকাৰী নিয়ম অনুসৰি প্ৰাৰ্থীৰ নাম যথাযথভাৱে উল্লেখ নোহোৱাৰ পৰিপ্ৰেক্ষিতত তালিকাখন সাময়িকভাৱে বাতিল কৰা হৈছিল। এইবাৰ অসম অসামৰিক সেৱাত নিহাৰ ৰঞ্জন ডেকা আৰু অসম আৰক্ষী সেৱাত ভাস্কৰ জ্যোতি মেধীয়ে প্ৰথম স্থান লাভ কৰিছে। প্ৰাৰম্ভিক পৰীক্ষাত ৪১ হাজাৰ ৬১২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। মূল পৰীক্ষাত ৩ হাজাৰ ২৪৩

গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৮৭৯ গৰাকী প্ৰাৰ্থীক মৌখিক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ কৰা হৈছিল। আয়োগে ৪৫টা অসম অসামৰিক সেৱা, ২০ অসম আৰক্ষী সেৱা, ৫১টা কৰ পৰিদৰ্শক, ৯টা খণ্ড উন্নয়ন বিষয়াসহ ভিন্ন সেৱাৰ পদসমূহত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ বাছনি তালিকা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাৰ পাছত যোৱা ২০ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ মৌখিক সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি ৰাজ্যখনলৈ অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে আজি ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত বিজেপিৰ ডাঃ ৰণোজ পেগু, প্ৰদান বৰুৱা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, কংগ্ৰেছৰ ৰকিবুল হুছেইন, বি পি এফৰ দুৰ্গাদাস বড়ো, অসম গণ পৰিষদৰ সুনীল ৰাজখোৱাকে ধৰি কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। আয়োগৰ দলটোত নিৰ্বাচন আয়ুক্ত ডাঃ সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীৰ লগতে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেল আৰু নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। আয়োগৰ দলটোৱে জিলা আয়ুক্তসকল, আৰক্ষী মহাপৰিদৰ্শক, উপ-আৰক্ষী মহাপৰিদৰ্শক, জিলা নিৰ্বাচনী বিষয়া আৰু ৰাজ্যৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে বৈঠকত মিলিত হয়। দলটোৱে মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে পৃথকে আলোচনাত মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ সামগ্ৰিক প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

০০০০০০

ঃঃ সমাপ্ত ঃঃ